আদিপুস্তক।

অৰ্থাৎ

মোচিয়ে লিখা প্ৰথম পুস্তক।

সৃষ্টি পাতনি।

১ আদিতে ঈশ্বৰে আকাশ-মণ্ডল আৰু
পৃথিবী সৃষ্টি কৰিলে। ২ পৃথিবী নিৰ্জ্জন
আৰু শূন্য আছিল; আৰু আন্ধাৰ অগাধ
জলৰ ওপৰত আছিল; আৰু ঈশ্বৰৰ আত্মাই
জলসমূহৰ ওপৰত উমাইছিল। ৩ পাছে
ঈশ্বৰে কলে, পোহৰ হওক; তাতে পোহৰ
হল। ৪ তেতিয়া ঈশ্বৰে পোহৰটো উত্তম দেখি,
আন্ধাৰৰ পৰা পোহৰক বেলেগ কৰিলে। ৫ পাছে
ঈশ্বৰে পোহৰৰ নাম দিন, আৰু আন্ধাৰৰ নাম
ৰাতি থলে। গধূলি আৰু পুৱা হলত, এক
দিন হল।

৬ পাছে ঈশ্বৰে কলে, জলসমূহৰ মাজত বিতান
হৈ, সেয়ে জলসমূহক দুভাগ কৰি বেলেগ কৰোক, ৭
এই বুলি ঈশ্বৰে বিতান নিৰ্ম্মাণ কৰি, বিতানৰ তলত
থকা জলসমূহৰ পৰা বিতানৰ ওপৰৰ জলসমূহ
বেলেগ কৰিলে; আৰু তেনেকুৱাই হল। ৮ পাছে
ঈশ্বৰে সেই বিতানৰ নাম আকাশ-মণ্ডল থলে।
গধূলি আৰু পুৱা হলত, দ্বিতীয় দিন হল।

৯ পাছে ঈশ্বৰে কলে, আকাশৰ তলত থকা
জলসমূহ একে ঠাইলৈ আহি গোট খাওক, আৰু
স্থল ওলাওক; তাতে তেনেকুৱাই হল।
১০ তেতিয়া ঈশ্বৰে স্থলৰ নাম ভূমি, আৰু গোট
খোৱা জলসমূহৰ নাম সমুদ্ৰ থলে; আৰু ঈশ্বৰে
তাক উত্তম দেখিলে। ১১ পাছে ঈশ্বৰে কলে,
ভূমিয়ে তৃণ, গুটি ধৰা বন, আৰু ভিতৰত
গুটি থকা বিধে বিধে ফল ধৰা ফলৱান
বৃক্ষ মাটিৰ ওপৰত উৎপন্ন কৰোক; তাতে তেনে-
কুৱাই হল; ১২ ভূমিয়ে তৃণ, বিধে বিধে
গুটি ধৰা বন, আৰু ভিতৰত গুটি থকা
বিধে বিধে ফল ধৰা বৃক্ষ উৎপন্ন কৰিলে;
তেতিয়া ঈশ্বৰে তাক উত্তম দেখিলে। ১৩ গধূলি
আৰু পুৱা হলত, তৃতীয় দিন হল।

১৪ পাছে ঈশ্বৰে কলে, দিন আৰু ৰাতি
পৃথক কৰিবৰ নিমিত্তে, আকাশ-মণ্ডলৰ বিতানত
জ্যোতিঃবোৰ হওক; আৰু সেইবোৰে চিনেই,
ঋতু, দিন, আৰু বছৰৰ কাৰণ হওক; ১৫ আৰু
পৃথিবীৰ ওপৰত পোহৰ দিবলৈ, আকাশ-মণ্ডলৰ
বিতানত প্ৰদীপস্বৰূপ হওক, তাতে তেনেকুৱাই
হল। ১৬ দিনৰ ওপৰত অধিকাৰ চলাবলৈ এক
মহাজ্যোতিঃ, আৰু ৰাতিৰ ওপৰত অধিকাৰ
চলাবলৈ তাতকৈ এক ক্ষুদ্ৰ জ্যোতিঃ, এই দুই
বৃহৎ জ্যোতিঃ আৰু তৰাবোৰকো ঈশ্বৰে নিৰ্ম্মাণ
কৰিলে। ১৭ আৰু পৃথিবীৰ ওপৰত পোহৰ
দিবলৈ, ১৮ দিন-ৰাতিৰ ওপৰত অধিকাৰ
চলাবলৈ, আৰু পোহৰকে আন্ধাৰকে বেলেগ
কৰিবলৈ, ঈশ্বৰে সেইবোৰক আকাশ-মণ্ডলৰ
বিতানত স্থাপন কৰিলে; আৰু ঈশ্বৰে তাক উত্তম
দেখিলে। ১৯ গধূলি আৰু পুৱা হলত, চতুৰ্থ
দিন হল।

২০ পাছে ঈশ্বৰে কলে, জলসমূহে প্ৰচুৰ পৰি-
মাণে উৰগ আদি জীৱজন্তু উৎপন্ন কৰোক, আৰু
পৃথিবীৰ উৰ্দ্ধত আকাশ-মণ্ডলৰ বিতানত চৰাই-
বোৰ উড়ি ফুৰোক। ২১ তেতিয়া ঈশ্বৰে বৰ
বৰ জলজন্তু, আৰু বিধে বিধে জলসমূহত
প্ৰচুৰ পৰিমাণে উৎপন্ন হোৱা উৰগ আদি জীৱজন্তু,
আৰু ডেউকা লগা সকলো বিধৰ চৰাই সৃষ্টি
কৰিলে; তাতে ঈশ্বৰে তাক উত্তম দেখিলে।
২২ আৰু ঈশ্বৰে সেইবোৰক আশীৰ্ব্বাদ কৰি
কলে, তোমালোক বহুবংশ হোৱা, আৰু বাঢ়ি
বাঢ়ি সমুদ্ৰৰ জল পৰিপূৰ্ণ কৰা; আৰু পৃথিবীত
চৰাই বৃদ্ধি হওক। ২৩ গধূলি আৰু পুৱা হলত,
পঞ্চম দিন হল।

২৪ পাছে ঈশ্বৰে কলে, ঘৰচীয়া পশু, উৰগ
প্ৰাণী, নানা বিধৰ বনৰীয়া জন্তু, এই সকলো জীৱ-
জন্তু ভূমিত বিধে বিধে উৎপন্ন হওক; তাতে
তেনেকুৱাই হল। ২৫ ঈশ্বৰে বিধে বিধে

বনৰীয়া জন্তু, বিধে বিধে ঘৰচীয়া পশু, আৰু
মাটিত বগাই ফুৰা বিধে বিধে সকলো জন্তুকো
নিৰ্ম্মাণ কৰিলে, আৰু ঈশ্বৰে তাক উত্তম দেখিলে।
২৬ পাছে ঈশ্বৰে কলে, আমি নিজৰ প্ৰতিমূৰ্ত্তিৰ
দৰে, আমাৰ সাদৃশ্যেৰে মানুহ নিৰ্ম্মাণ কৰোঁহঁক ;
সিবিলাকে সমুদ্ৰৰ মাছ, আকাশৰ চৰাই, ঘৰচীয়া
পশু, সমুদায় পৃথিবী, আৰু পৃথিবীত বগাই
ফুৰা সকলো জন্তুৰ ওপৰত অধিকাৰ চলাওক।
২৭ তাতে ঈশ্বৰে নিজৰ প্ৰতিমূৰ্ত্তিৰে মানুহ
সৃষ্টি কৰিলে ; ঈশ্বৰৰ প্ৰতি-মূৰ্ত্তিৰেই তাক সৃষ্টি
কৰিলে ; তেওঁ পুৰুষ আৰু স্ত্ৰী কৰি সিবিলাকক
সৃষ্টি কৰিলে। ২৮ পাছে ঈশ্বৰে সিবিলাকক
আশীৰ্ব্বাদ কৰিলে ; ঈশ্বৰে সিবিলাকক কলে,
তোমালোক বহুবংশ হোৱা, আৰু বাঢ়ি বাঢ়ি
পৃথিবীখন পৰিপূৰ্ণ কৰা, আৰু তাক বশীভূত কৰা ;
আৰু সমুদ্ৰৰ মাছ, আকাশৰ চৰাই, আৰু
পৃথিবীত বগাই ফুৰা সকলো জীৱজন্তুৰ ওপৰত
অধিকাৰ চলোৱা। ২৯ পাছে ঈশ্বৰে কলে, চোৱা,
গোটেই পৃথিবীত থকা গুটি ধৰা সকলো
বন, আৰু ভিতৰত গুটি থকা সকলো
ফলৱান বৃক্ষ মই তোমালোকক দিলোঁ ; সেয়ে
তোমালোকৰ আহাৰ হব। ৩০ আৰু সকলো
বনৰীয়া জন্তু, আকাশৰ সকলো চৰাই, আৰু
মাটিত বগাই ফুৰা সকলো জীৱজন্তু, এইবোৰৰ
আহাৰৰ নিমিত্তে হলে, সকলো কেঁচা বন
দিলোঁ ; তাতে তেনেকুৱাই হল। ৩১ পাছে
ঈশ্বৰে নিজে নিৰ্ম্মাণ কৰা সকলোকে চাই
অতি উত্তম দেখিলে। গধূলি আৰু পুৱা হলত,
ষষ্ঠ দিন হল।

২ এইদৰে আকাশ-মণ্ডল, পৃথিবী, আৰু
সেই উভয়ত থকা সকলো পদাৰ্থ নিৰ্ম্মাণ
কৰি অঁতোৱা হল। ২ সপ্তম দিনা ঈশ্বৰে
নিজে কৰা কাৰ্য্য কৰি অঁতাই, নিজে কৰা
সকলো কাৰ্য্যৰ পৰা সপ্তম দিনা বিশ্ৰাম
কৰিলে। ৩ আৰু ঈশ্বৰে সেই সপ্তম দিনক
আশীৰ্ব্বাদ কৰি পবিত্ৰ কৰিলে ; কিয়নো ঈশ্বৰে
নিজে সৃষ্টি কৰা আৰু নিৰ্ম্মাণ কৰা সমুদায়
কাৰ্য্যৰ পৰা সেই দিনা বিশ্ৰাম কৰিলে।

প্ৰথম মনুষ্যৰ বিবৰণ।

৪ আকাশ-মণ্ডল আৰু পৃথিবী সৃষ্টি কৰা
কালৰ, ঈশ্বৰ যিহোৱাই পৃথিবী আৰু আকাশ-
মণ্ডল নিৰ্ম্মাণ কৰা দিনৰ, সেই উভয়ৰ বিবৰণ
এই। ৫ তেতিয়াও পৃথিবীত কোনো পথাৰত
একো গছ তৃণ আদি উৎপন্ন হোৱা নাছিল,
আৰু পথাৰত কোনো শস্যাদিৰ গছো গজা
নাছিল ; কিয়নো তেতিয়াও ঈশ্বৰ যিহোৱাই
পৃথিবীত বৰষুণ বৰষোৱা নাছিল, আৰু মাটি
চহাবলৈ মানুহো নাছিল। ৬ পাছে পৃথিবীৰ
পৰা কুঁৱলী উঠি গোটেইখন ভূমি ভিজালে।
৭ আৰু ঈশ্বৰ যিহোৱাই মাটিৰ ধূলিৰে
মানুহ নিৰ্ম্মাণ কৰি, তাৰ নাকত ফুঁ দি,
প্ৰাণ-বায়ু সুমুৱাই দিলে ; তাতে মানুহ
জীয়া প্ৰাণী হল। ৮ পাছে ঈশ্বৰ যিহোৱাই
পূবফালে এদনত এখন বাৰী পাতি, নিজে
নিৰ্ম্মাণ কৰা মানুহক তাত থলে। ৯ আৰু
দেখিবলৈ সুন্দৰ, খাবলৈকো ভাল, এনে সকলো
জাতৰ বৃক্ষ ঈশ্বৰ যিহোৱাই মাটিৰ পৰা উৎপন্ন
কৰিলে ; তাত বাজে বাৰীৰ মাজত জীৱন-বৃক্ষ,
আৰু ভাল বেয়া জ্ঞান দিওঁতা বৃক্ষকো তেওঁ
উৎপন্ন কৰিলে। ১০ আৰু বাৰীত পানী দিবৰ
নিমিত্তে এদনৰ পৰা এখন নৈ ওলাই, সেই
ঠাইৰ পৰা বেলেগ বেলেগ হৈ, চাৰি সোঁতা
নৈ হল। ১১ প্ৰথম নৈৰ নাম পীচোন ;
সি সোণ উৎপন্ন হোৱা সমুদায় হবীলা দেশকে
মেৰাই গৈছে ; ১২ সেই দেশৰ সোণ উত্তম ;
তাতে গুগ্গুলু আৰু বহুমূলীয়া বাখৰ পোৱা
যায়। ১৩ দ্বিতীয় নৈৰ নাম গীহোন ; সি কূচ
দেশখনক মেৰাই গৈছে। ১৪ তৃতীয় নৈৰ
নাম হিদ্দেকল ; সি অচূৰ দেশৰ সম্মুখেদি বৈ
গৈছে। চতুৰ্থ নদীৰ নাম ফৰাৎ।

১৫ পাছে ঈশ্বৰ যিহোৱাই মানুহক নি, এদনত
থকা বাৰীৰ বন কৰিবলৈ আৰু তাক ৰখিব-
লৈকো তাত থলে। ১৬ আৰু ঈশ্বৰ যিহোৱাই
মানুহক এই আজ্ঞা দিলে, বোলে, তুমি বাৰীৰ
সকলো বৃক্ষৰ ফল স্বচ্ছন্দে খাব পাৰা ; ১৭ কিন্তু
ভাল বেয়া জ্ঞান দিওঁতা বৃক্ষৰ ফল হলে
নেখাবা ; কিয়নো, যি দিনা তাক খাবা, সেই
দিনাই তুমি অৱশ্যে মৰিবা।

১৮ পাছে ঈশ্বৰ যিহোৱাই কলে, মানুহ
অকলে থকা ভাল নহয় ; মই তাৰ নিমিত্তে
তাৰ এক উপযুক্ত সহকাৰী নিৰ্ম্মাণ কৰিম।
১৯ ঈশ্বৰ যিহোৱাই সমুদায় বনৰীয়া জন্তু আৰু
আকাশৰ আটাইবোৰ চৰাই মাটিৰে নিৰ্ম্মাণ
কৰিলে ; পাছে মানুহে সেইবোৰৰ কি কি নাম থব,
তাক চাবলৈ, তেওঁ সেইবোৰক মানুহৰ

ওচৰলৈ আনিলে; তেতিয়া মানুহে সকলো
জীৱজন্তুৰ যাৰ যি নাম দিলে, সেয়ে তাৰ নাম
হল। ২০ এইদৰে মানুহে সকলো ঘৰচীয়া
পশু, আকাশৰ চৰাই, বনৰীয়া জন্তু, এই
সকলোবোৰৰে নাম দিলে; কিন্তু মানুহৰ
নিমিত্তে তেওঁৰ উপযুক্ত সহকাৰী পোৱা নগল।
২১ পাছে ঈশ্বৰ যিহোৱাই মানুহৰ ঘোৰ টোপনি
অনাত, তেওঁ টোপনি গল; আৰু তেওঁ তাৰ
এডাল কামী-হাড় উলিয়াই, সেই ঠাই মঙহেৰে
পূৰালে। ২২ আৰু ঈশ্বৰ যিহোৱাই মানুহৰ
পৰা উলিওৱা কামী-হাড়ডালেৰে এজনী স্ত্রী
নির্ম্মাণ কৰি, মানুহৰ ওচৰলৈ আনিলে।
২৩ তেতিয়া মানুহে কলে, এতিয়া হলে, এওঁ
মোৰ হাড়ৰো হাড়, মোৰ মঙহৰো মঙহ;
এওঁক নাৰী বুলি মতা হব; কিয়নো এওঁক
নৰৰ পৰা লোৱা হৈছে। ২৪ এতেকে মানুহে
নিজ পিতৃ মাতৃক ত্যাগ কৰি, নিজ
তিৰোতাত আসক্ত হব, আৰু সিবিলাক দুয়ো
একদেহ হব। ২৫ সেই সময়ত মানুহজন আৰু
তেওঁৰ তিৰোতা দুয়ো বিবস্ত্র আছিল; কিন্তু
তাক লাজ বুলি নেজানিছিল।

মনুষ্যৰ পতন।

৩ ঈশ্বৰ যিহোৱাই নির্ম্মাণ কৰা সকলো
বনৰীয়া জন্তুৰ মাজত সর্প অতি টেঙৰ
আছিল। সি নাৰী গৰাকীক কলে, বাৰীৰ কোনো
গছৰ ফল তোমালোকে নেখাবা বুলি ঈশ্বৰে
বাস্তৱিকে কলে নে? ২ তাতে নাৰীয়ে সর্পক
কলে, বাৰীৰ গছ বোৰৰ ফল আমি খাব
পাৰোঁ; ৩ কিন্তু বাৰীৰ মাজত থকা যি গছ জোপা
আছে তাৰ ফল হলে, ঈশ্বৰে কৈছে, তোমালোকে
তাক নেখাবাও, নুচুবাও; তাকে কৰিলেই
মৰিবা। ৪ তেতিয়া সর্পই নাৰীক কলে, দৰা-
চলতে তোমালোকে নমৰা; ৫ কিয়নো, যি
দিনা তোমালোকে তাৰ ফল খাবা, সেই
দিনাই যে তোমালোকৰ চকু মুকলি হৈ তোমা-
লোক ঈশ্বৰৰ নিচিনা ভাল বেয়া জানোতা
হবা, তাক ঈশ্বৰে জানে। ৬ তেতিয়া নাৰীয়ে,
সেই গছৰ ফল খাবলৈ ভাল, চকুৰ লোভ-
জনক, আৰু জ্ঞান দিয়াৰ কথাতো মনমোহা যেন
দেখি, তাক ছিঙি খালে, আৰু লগত থকা
তেওঁৰ গিৰিয়েককো দিলে; তাতে তেৱো
খালে। ৭ পাছে সিবিলাক দুয়োৰো চকু মুকলি
হলত, সিবিলাক যে বিবস্ত্র, তাক সিবিলাকে
বুজি, নিজলৈ ডিমৰু পাতেৰে কপিং
সিয়াই ললে। ৮ পাছে ঈশ্বৰ যিহোৱাই দিনৰ
জুৰ পৰা সময়ত বাৰীৰ মাজত অহা-যোৱা
কৰা শবদ সিবিলাকে শুনিবলৈ পালে; তাতে
মানুহ আৰু তেওঁৰ তিৰোতাও, ঈশ্বৰ যিহোৱাৰে
সাক্ষাৎ নহবৰ মনেৰে, বাৰীৰ গছনিৰ মাজত
লুকালগৈ।
৯ তেতিয়া ঈশ্বৰ যিহোৱাই মানুহক
মাতি সুধিলে, তুমি ক'ত আছা? ১০ তেওঁ
কলে, মই বাৰীত আপোনাৰ শবদ
শুনি, মোৰ বিবস্ত্রতাৰ কাৰণে মই ভয় কৰি লুকাই
আছোঁ। ১১ তাতে ঈশ্বৰ যিহোৱাই কলে,
তুমি যে বিবস্ত্র, তাক তোমাক কোনে কলে?
যি গছৰ ফল নেখাবা বুলি মই তোমাক নিষেধ
কৰিছিলোঁ, তাক তুমি খালা নে কি? ১২ তেতিয়া
মানুহে কলে, আপুনি যি তিৰোতা মোৰ সঙ্গিনী
কৰি দিলে, সেই তিৰোতাই মোক সেই গছৰ
ফল দিলত, মই তাক খালোঁ। ১৩ পাছে ঈশ্বৰ
যিহোৱাই নাৰীক কলে, তুমি এইটো কি
কৰিলা? নাৰীয়ে কলে, সর্পই মোক ভুলালত্হে
মই খালোঁ। ১৪ তাতে ঈশ্বৰ যিহোৱাই সর্পক
কলে, তই এই কর্ম্ম কৰা হেতুকে, সকলো
ঘৰচীয়া পশু আৰু আটাই বনৰীয়া জন্তুৰ মাজত
অভিশপ্ত হৈ, পেটেৰে গতি কৰিবি, আৰু তোৰ
জীৱনৰ গোটেই কালত ধূলি খাবি; ১৫ আৰু
মই তোৰে নাৰীৰে মাজত, আৰু তোৰ বংশৰে
নাৰীৰ বংশৰে মাজত শত্রুভাৱ উৎপন্ন কৰিম;
সি তোৰ মূৰ গুড়ি কৰিব, আৰু তই তাৰ
গোৰোৱা গুড়ি কৰিবি। ১৬ তেওঁ নাৰীক
কলে, মই তোমাৰ গর্ভ-বেদনা অতিশয়ৰূপে
বৃদ্ধি কৰিম; তুমি কষ্টেৰে সন্তান প্রসৱ কৰিবা;
আৰু গিৰিয়েৰালৈ তোমাৰ ইচ্ছা থাকিব, আৰু
সি তোমাৰ ওপৰত অধিকাৰ চলাব। ১৭ পাছে
তেওঁ আদমক কলে, যি গছৰ ফল নেখাবা
বুলি মই তোমাক নিষেধ কৰিছিলোঁ, তুমি তোমাৰ
তিৰোতাৰ কথা শুনি তাক খোৱা হেতুকে,
তোমাৰ কাৰণে ভূমি অভিশপ্ত হৈছে; তুমি
জীৱনৰ গোটেই কালত, দুঃখেৰে তাৰ পৰা
খাবলৈ পাবা; ১৮ কাঁইট আৰু কাঁইটীয়া বন
সি তোমালৈ উৎপন্ন কৰিব; আৰু তুমি পথাৰ
শস্য ভোজন কৰিবা। ১৯ তুমি মাটিলৈ উলটি
নোযোৱামানে, তোমাৰ মুখৰ ঘামেৰে আহাৰ
কৰিবলৈ পাবা; কিয়নো তোমাক মাটিৰ পৰা

লোৱা হৈছিল ; কাৰণ তুমি ধূলি মাথোন,
পুনৰায় ধূলিলৈকে উলটি যাবা। ২০ পাছে
মানুহে তেওঁৰ তিৰোতাৰ নাম হৱা [জীৱিত]
থলে ; কিয়নো তেওঁ সকলো জীৱিত লোকৰ
মাতৃ। ২১ পাছে ঈশ্বৰ যিহোৱাই আদম আৰু
তেওঁৰ ভাৰ্য্যালৈকো ছালৰ বস্ত্ৰ কৰি সিবিলাকক
পিন্ধালে।

২২ ঈশ্বৰ যিহোৱাই কলে, দেখা, মানুহ
আমাৰ এজনৰ নিচিনা ভাল বেয়া জানোতা
হৈছে ; এতিয়া সি কিজানি হাত মেলি, জীৱন-
বৃক্ষৰ ফল লৈ খাই চিৰজীৱী হয়, ২৩ এই বুলি,
যি মাটিৰ পৰা তেওঁক লোৱা হৈছিল, তাতে খেতি
কৰিবলৈ, ঈশ্বৰ যিহোৱাই মানুহক এদন বাৰীৰ
পৰা উলিয়াই পঠালে। ২৪ এইদৰে তেওঁ
মানুহক খেদালে ; আৰু জীৱন-বৃক্ষৰ পথ ৰখিবলৈ,
এদন বাৰীৰ পূবফালে কৰূববিলাকক, আৰু
চাৰিওফালে ঘূৰি থকা এখন জ্বলন্তময়
তৰোৱালকো তাত থলে।

কয়িন আৰু হেবলৰ বিবৰণ।

© 1984 The Bible Society of India

THE HOLY BIBLE

Assamese—Copies 2000/84—4001

PRINTED IN INDIA
BY PHOTO-OFFSET, PROCESS AT SWAPNA PRINTING WORKS
52, RAJA RAMMOHAN SARANI, CALCUTTA-700009